**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 08-01-2026 **Time :** 1100 Hrs.
0000000000

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লখিমপুৰ জিলাত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ ধন বিতৰণ কৰাৰ লগতে ১৩২ কোটি টকা ব্যয় সাপেক্ষে কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপনৰ কাৰ্যসূচীত অংশ লৈছে। মুখ্যমন্ত্ৰীয়ে ৪০ কোটি টকা ব্যয়সাপেক্ষে অসম মালা আঁচনিৰ অধীনত ন-আলিৰ পৰা কলিতাগাঁও চাৰিআলিলৈ পথৰ উন্নীতকৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। তেওঁ লগতে ৫২ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ নতুন ভৱন আৰু ১০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া পয়-প্ৰণালী নিষ্কাষণ প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব।

মুখ্যমন্ত্ৰী ড° শৰ্মাই লখিমপুৰ বিধানসভা সমষ্টিৰ ২৭ হাজাৰ ৮০৪ গৰাকী মহিলাক মুখ্যমন্ত্ৰীয়ে মহিলা উদ্যমিতা পুঁজিৰ চেক প্ৰদান কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে ৩০ কোটি টকা ব্যয় সাপেক্ষে জহিঙত নিৰ্মাণ কৰা নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয়ৰ নতুন চৌহদ উদ্বোধন কৰিব।

০০০০০০০০

প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী, প্ৰয়াত ৰাজনীতিবিদ তথা বিজেপিৰ এগৰাকী জ্যেষ্ঠ নেতা কবিন্দ্ৰ পুৰকায়স্থৰ শেষকৃত্য আজি শিলচৰৰ শ্মশানঘাটত সম্পন্ন হ'ব। শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ পৰা তেওঁৰ নশ্বৰ দেহ কাছাৰ জিলা বিজেপিৰ কাৰ্যালয়লৈ নিয়া হৈছে। ইয়াৰ পাছত তেওঁৰ নশ্বৰ দেহ জিলা ক্ৰীড়া সন্থাৰ খেল পথাৰলৈ লৈ যোৱা হ'ব আৰু পাছত তেওঁৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হ'ব। সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হ'ব।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ কালি শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ৯৫ বছৰ বয়সত দেহাৱসান ঘটে।

প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ মৃত্যুত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গভীৰ শোক প্ৰকাশ কৰিছে। শ্ৰীমতী মুৰ্মুৱে এটা বাৰ্তাত পুৰকায়স্থই প্ৰাক্তন মন্ত্ৰী আৰু লোকসভাৰ সদস্য হিচাপে নিষ্ঠাৰে আগবঢ়োৱা সেৱাৰ কথা উল্লেখ কৰাৰ লগতে অসমৰ উন্নয়নৰ ক্ষেত্ৰত গ্ৰহণ কৰা প্ৰচেষ্টাৰ কথা স্মৰণ কৰে। এটা শোকবাৰ্তাত শ্ৰী মোদীয়ে সমাজ সেৱাৰ প্ৰতি পুৰকায়স্থৰ দায়বদ্ধতা আৰু অসমৰ প্ৰগতিৰ ক্ষেত্ৰত অৱদান সদায় স্মৰণীয় হৈ থাকিব বুলি উল্লেখ কৰে।

ভাৰতীয় জনতা পাৰ্টিৰ অন্যতম প্ৰতিষ্ঠাপকগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই ৰাজ্যিক বিজেপিয়ে আজি সকলো দলীয় কাৰ্যসূচী বাতিল কৰাৰ লগতে দলটোৰ সকলো কাৰ্যালয়ত দলীয় পতাকা অৰ্ধনমিত কৰি ৰাখিবলৈ ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই আহ্বান জনাইছে।

০০০০০০

চিৰাং জিলাৰ বিজনীৰ বৰলাউগাঁৱৰ থেংফাখ্ৰী ফৌথাৰত কাইলৈৰ পৰা তিনিদিনীয়াকৈ হ'বলগীয়া বড়ো সাহিত্য সভাৰ ৬৫ সংখ্যক কেন্দ্ৰীয় অধিৱেশনৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে। কাইলৈ পুৱা ৯ বজাত ড° মনেশ্বৰ

ব্ৰহ্ম সোঁৱৰণী মুখ্য প্ৰৱেশদ্বাৰ বিটিচিৰ কাৰ্যবাহী সদস্য তথা অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি ধীৰাজ বৰগয়াৰীয়ে মুকলি কৰিব। ইয়াৰ পাছতে পদ্মলোচন বড়ো সোঁৱৰণী মুখ্য তোৰণ মুকলি কৰা হ'ব। ইয়াৰ পাছতে প্ৰতিনিধি শিবিৰ আৰু স্বেচ্ছাসেৱক শিবিৰসমূহ মুকলি কৰা হ'ব। দিনৰ চাৰে ১১ বজাত 'সপোনৰ পৰা গন্তব্য স্থানলৈ, প্ৰতিযোগিতামূলক পৰীক্ষাত সফলতাৰ কৌশল' শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। বিয়লি ৩ বজাত কবি সন্মিলন আৰু চাৰে ৪ বজাত 'বড়োসকলৰ সমসাময়িক আৰ্থ-সামাজিক জীৱন অন্বেষণ' শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। সন্ধিয়া ৬ বজাৰ পৰা প্ৰথম প্ৰতিনিধি সভা আৰু সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। পৰহিলৈ স্মৃতিগ্ৰন্থ উন্মোচন আৰু বঁটা প্ৰদান কাৰ্যসূচী অনুষ্ঠিত হ'ব। ১১ জানুৱাৰীৰ সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ কথা। বড়ো সাহিত্য সভাৰ প্ৰস্তুতি সন্দৰ্ভত এয়া আমাৰ চিৰাং জিলাৰ সংবাদদাতা কুঞ্জ মোহন ৰায় –

বাইট

০০০০০০০০০০০০০০০

গুৱাহাটীত আজিৰে পৰা দুদিনীয়াকৈ ৰাষ্ট্ৰীয় বস্ত্ৰ সন্মিলনৰ আয়োজন কৰা হৈছে। এই দুদিনীয়া সন্মিলনখনৰ বিষয়বস্তু হৈছে – **ভাৰতৰ বস্ত্ৰ ঃ বয়ন বিকাশ, ঐতিহ্য আৰু উদ্ভাৱন।** এই সন্মিলনত দেশৰ বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ বস্ত্ৰ মন্ত্ৰী আৰু জ্যেষ্ঠ বিষয়াসকলে অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে ২০৩০ চনৰ ভিতৰত ভাৰতে বস্ত্ৰ উদ্যোগৰ ক্ষেত্ৰত গোলকীয়ভাৱে সুকীয়া পৰিচয় গঢ়ি তোলাৰ উদ্দেশ্য আগত ৰাখি কাম কৰিবলৈ বিচাৰিছে। সন্মিলনৰ উদ্বোধনী অধিৱেশনত কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিং, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় বস্ত্ৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাৰ লগতে অন্যান্য বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰিব।

০০০০০০০০

ৰাজ্য চৰকাৰৰ নিযুক্তি প্ৰক্ৰিয়াৰ অংশস্বৰূপে অচিৰেই মুঠ ১১ হাজাৰ ১৩ গৰাকী প্ৰাৰ্থীক নিযুক্তি দিয়া হ'ব। এই অনুসৰি কাইলৈ এ ডি আৰ ইত উত্তীৰ্ণ হোৱা ৪ হাজাৰ ৩৭৪ গৰাকী চতুৰ্থ বৰ্গৰ প্ৰাৰ্থীক গুৱাহাটী খানাপাৰাৰ নৱনিৰ্মিত জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব। তথ্য আৰু জনসংযোগ সঞ্চালকালয়ে জনোৱা অনুসৰি পৰহিলৈ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত এ ডি আৰ ইত উত্তীৰ্ণ হোৱা ৬ হাজাৰ ৩৪৭ গৰাকী তৃতীয় বৰ্গৰ প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। একেদৰে ১২ জানুৱাৰীত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত এ ডি আৰ ইত উত্তীৰ্ণ হোৱা ২৯২ গৰাকী চাহ জনগোষ্ঠী প্ৰাৰ্থীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব। এই নিযুক্তি সম্পন্ন হ'লে নতুনকৈ নিযুক্তি লাভ কৰা প্ৰাৰ্থীৰ সংখ্যা ১ লাখ ৪৫ হাজাৰ ৬৬৪ৰ পৰা ১ লাখ ৫৬ হাজাৰ ৬৭৭লৈ বৃদ্ধি পাব।

০০০০০০০০

মাজুলীৰ শ্ৰীশ্ৰী এলেঙি নৰসিংহ সত্ৰৰ সত্ৰাধিকাৰ কমল চন্দ্ৰ মহন্তৰ আজি পুৱা ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৫ বছৰ। সংস্কৃতিৰ সাধক, মুখা শিল্পীগৰাকীৰ বিয়োগত মাজুলীত শোকাকুল পৰিৱেশে বিৰাজ কৰিছে।

০০০০০০০

**সমাপ্ত**